**63/1 (SEM–1) CC1/ASMHC1016**

**2024**

# ASSAMESE

Paper : ASMHC1016

***(History of Assamese Literature)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

ক) 'অসমীয়া লোকগীতি সঞ্চয়ন'–গ্ৰন্থখনৰ ৰচক কোন?

*i)* ড° হেমন্ত কুমাৰ শৰ্মা

*ii)* ড° মহেশ্বৰ নেওগ

*iii)* ড° নবীনচন্দ্ৰ শৰ্মা

*iv)* ড° লীলা গগৈ

খ) অসমীয়া লোকসাহিত্যৰ কোনবিধ ৰূপক 'দহৰ জ্ঞান একৰ বাণী'—বুলি কোৱা হয় –

i) সাধুকথা

ii) মালিতা

iii) নিচুকনি গীত

iv) প্ৰবাদ-প্ৰবচন-যোজনা আদি

গ) কবি হবিবৰ বিপ্ৰই কমতাপুৰৰ কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

i) ইন্দ্ৰনাৰায়ণ

ii) দুৰ্লভ নাৰায়ণ

iii) তাম্ৰধ্বজ

iv) আৰিমত্ত

ঘ) অসমীয়া সাহিত্যৰ শংকৰীযুগৰ কোনগৰাকী কবিক 'অসমীয়া ব্যাস' আখ্যা দিয়া হৈছে?

i) অনন্ত কন্দলী

ii) শ্ৰীধৰ কন্দলী

iii) মাধৱদেৱ

iv) ৰামসৰস্বতী



ঙ) "গীতি ৰামায়ণ" কাব্যখনিৰ কবি কোন?

i) কবি পীতাম্বৰ

ii) কবি দুৰ্গাবৰ

iii) সুকবি নাৰায়ণদেৱ

iv) চন্দ্ৰভাৰতী

চ) "Grammatical Notices of the Assamese Language"— শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

i) নাথান ব্ৰাউন

ii) মাইলচ্ ব্ৰন্সন

iii) এ. কে. গাৰ্নি

iv) নিধিৰাম ফাৰৱেল।

ছ) গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি আছিল?

i) আসাম নিউজ

ii) আসাম বন্ধু

iii) আসাম মিহিৰ

iv) আসাম বিলাসিনী

জ) “বনকুঁৱৰী” কবিতাৰ কবি গৰাকীৰ নাম কি?

*i)* চন্দ্ৰকুমাৰ আগৰৱালা

*ii)* হেমচন্দ্ৰ গোস্বামী

*iii)* পদ্মনাথ গোহাঞি বৰুৱা

*iv)* আনন্দচন্দ্ৰ আগৰৱালা

ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ এখন কাব্য গ্ৰন্থৰ নাম হ'ল–

*i)* বীণা বৰাগী

*ii)* কদমকলি

*iii)* জিলিকনি

*iv)* জুৰণি

ঞ) “হে অৰণ্য, হে মহানগৰ”–কবিতা পুথিখনৰ ৰচক হ'ল–

*i)* হেম বৰুৱা

*ii)* হৰি বৰকাকতি

*iii)* নৱকান্ত বৰুৱা

*iv)* ভৱানন্দ দত্ত



২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

ক) সাধুকথাৰ *দুটা* বৈশিষ্ট্য লিখা।

খ) গোৱালপৰীয়া লোকগীতৰ *যিকোনো দুটা* প্ৰকাৰৰ নাম লিখা।

গ) মাধৱ কন্দলীয়ে কোন গৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? তেওঁক কোন শতিকাৰ কবি বুলি ধৰা হৈছে?

ঘ) বৰগীতৰ *দুটা* প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

ঙ) উত্তৰ শংকৰীযুগৰ *দুখন* ধৰ্মমূলক গদ্য পুথিৰ নাম লিখা।

চ) অৰুনোদই কাকত কেতিয়া প্ৰকাশ পাইছিল? ইয়াৰ প্ৰথম সম্পাদক কোন আছিল?

ছ) প্ৰথম অসমীয়া চনেট কবিতাটিৰ নাম কি? ইয়াৰ কবি গৰাকীৰ নাম কি আছিল।

জ) ৰামধেনু যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

ঝ) আধুনিক কবিতাৰ *দুটা* আংগিক বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

ক) বিহুগীতবোৰ কোন শ্ৰেণীৰ গীত? বিহুগীতৰ প্ৰধান ভাগ কেইটাৰ বিষয়ে চমুকৈ লিখা?

খ) "অসমীয়া প্ৰবাদ-প্ৰবচন" সম্পৰ্কে এটি টোকা লিখা।

গ) প্ৰাক শংকৰীযুগৰ অসমীয়া সাহিত্য সম্পৰ্কে *এটি* টোকা প্ৰস্তুত কৰা।

ঘ) অসমীয়া পাঁচালী কবি বুলি কোন কেইজন কবিৰ কথা কোৱা হয়? পাঁচালী সাহিত্যৰ 'পাঁচালী' নামকৰণ সম্পৰ্কে চমুকৈ লিখা।

ঙ) মহাপুৰুষ শংকৰদেৱৰ 'অংকীয়া নাট' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

চ) ভট্টদেৱৰ গদ্য সাহিত্যৰ আলমত গদ্যৰীতি সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

ছ) অসমীয়া ভাষা সাহিত্যলৈ ড° নাথান ব্ৰাউনৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

জ) পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সাহিত্য কৃতিৰ বিষয়ে চমুকৈ লিখা।

ঝ) 'আৱাহন' যুগৰ গল্প সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

ঞ) অসমীয়া উপন্যাস সাহিত্যলৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।



৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

ক) অসমীয়া লোকসাহিত্যৰ কেইটা ভাগত ভাগ কৰা হৈছে? এই ভাগবোৰ কি কি? ইয়াৰে যিকোনো এটা ভাগৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

খ) চৰিত সাহিত্য কি? অসমীয়া চৰিত সাহিত্যৰ বিভিন্ন দিশ সামৰি এটি আলোচনা প্ৰস্তুত কৰা।

গ) অসমীয়া সাহিত্যত ৰমন্যবাদৰ সূচনা কেতিয়া হৈছিল? অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ বিশেষত্বসমূহৰ আলোচনা কৰা।

ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সাহিত্যৰ বিভিন্ন ধাৰা সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

ক) কবি হৰিবৰ বিপ্ৰৰ চমু পৰিচয় দি তেওঁৰ সাহিত্য কৃতিৰ বিভিন্ন দিশ সামৰি এটি আলোচনা আগবঢ়োৱা।

খ) বুৰঞ্জী সাহিত্য কাৰ অৱদান? অসমীয়া বুৰঞ্জী সাহিত্যৰ বিভিন্ন দিশ সামৰি এটি প্ৰৱন্ধ ৰচনা কৰা।

গ) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ক্ষেত্ৰত কি কি নতুনত্ব বিষয়বস্তু আৰু আংগিক ক্ষেত্ৰত পৰিলক্ষিত হয়, সেই সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

---